# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-SEP-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কিছু সময়ৰ পূৰ্বে আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ শীৰ্ষ বিষয়াৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত এই বৈঠক অনুষ্ঠিত হৈছে।

ইপিনে হিয়াৰ আমঠু শিল্পীগৰাকীৰ আকস্মিক বিয়োগত আজিও ৰাজ্যবাসী শোকত ম্ৰিয়মান হৈ আছে। শিল্পীগৰাকীৰ শেষকৃত্যথলীত কালি গোটেই নিশা বহুলোক তেওঁৰ গীত আওৰাই উজাগৰে থাকে।

**গান ঃ ....**

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি জুবিন গাৰ্গৰ কাহিলিপাৰাস্থিত বাসগৃহত উপস্থিত হৈ শিল্পীগৰাকীক শ্ৰদ্ধা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। ৰাজ্যপালগৰাকীয়ে কয়, যে জুবিন গাৰ্গ কেৱল এজন কণ্ঠশিল্পী, গীতিকাৰেই নাছিল বৰং তেওঁ আছিল কেইবাটাও প্ৰজন্মৰ লগতে সংস্কৃতি আৰু ভাষাৰ মাজত সমন্বয় স্থাপন কৰা এগৰাকী জীৱন্ত কিংবদন্তী। জুবিন গাৰ্গ জাতি-জনগোষ্ঠীৰ উৰ্ধত থকা ব্যক্তিত্বৰ অধিকাৰী আছিল বুলি তেওঁ কয়।

মন্ত্ৰী পীযূষ হাজৰিকাই আজি প্ৰয়াত শিল্পীগৰাকীৰ কাহিলিপাৰাৰ বাসগৃহত উপস্থিত হৈ পত্নী গৰিমা শইকীয়া গাৰ্গৰ লগতে আত্মীয়ক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয়, যে জুবিন গাৰ্গৰ সৃষ্টিৰাজি সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ। সকলোৰে অতিকৈ প্ৰিয় শিল্পীগৰাকীৰ আকস্মিক বিয়োগক গুৰুত্ব সহকাৰে লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তদন্তৰ নিৰ্দেশ দিছে বুলি তেওঁ কয়।

**বাইট ঃ পীযূষ হাজৰিকা**

ৰাজ্যৰ সাংস্কৃতিক জগতৰ কেইবাগৰাকীও জনপ্ৰিয় ব্যক্তিয়ে আজি প্ৰয়াত শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। জনপ্ৰিয় কণ্ঠশিল্পী অংগৰাগ পাপন মহন্ত, অভিনেতা যতীন বৰাকে ধৰি শিল্পীসমাজে জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত উচিত তদন্তৰ দাবী জনায়। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কণ্ঠশিল্পী পাপনে এইদৰে কয়-

**বাইট ঃ পাপন**

ইপিনে শুক্ৰেশ্বৰ মন্দিৰত প্ৰয়াত শিল্পীগৰাকীৰ পিণ্ড দান কাৰ্য আজি সম্পন্ন হয়। ঋতু প্ৰয়াগ গাৰ্গ আৰু অৰুণ গাৰ্গে ব্ৰহ্মপুত্ৰৰ পাৰত পিণ্ড দান কৰে।

ৰাজ্যৰ আন আন ঠাইতো শিল্পীগৰাকীৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হয়। জুবিন গাৰ্গৰ স্মৃতিত নগাঁও চহৰৰ নেহৰুবালিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজিত হয়। জিলাখনৰ ৫০০ৰো অধিক শিক্ষানুষ্ঠান, দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে মৰমৰ শিল্পীগৰাকীৰ চিতাভস্মত শ্ৰদ্ধাঞ্জলি জনায়। ইয়াৰ লগতে সকলোৱে **মায়াবিনী ৰাতিৰ বুকুত** শীৰ্ষক গানটো গাই শিল্পীগৰাকীক শ্ৰদ্ধা জনায়।

আজাৰাৰ কাহিকুছি প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰিয় শিল্পীগৰাকীৰ দুটিকৈ গীত পৰিৱেশন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত মহানায়কৰ **প্ৰতিধ্বনি** শীৰ্ষক এটি অনুষ্ঠানৰ জৰিয়তে শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাই জুবিন গাৰ্গৰ জীৱনৰ ওপৰত আধাৰত প্ৰস্তুত কৰা এখন তথ্য চিত্ৰ এই অনুষ্ঠানত প্ৰদৰ্শন কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে জুবিনৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সকলো ছাত্ৰ-ছাত্ৰীক আগবাঢ়ি যাবলৈ আহ্বান জনায়। অধ্যক্ষ আৰু ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠানটোত জুবিন গাৰ্গৰ কেইবাটাও কালজয়ী গীত গাই শিল্পীগৰাকীক শ্ৰদ্ধা জনায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শেষত ছাত্ৰ একতা সভাৰ উদ্যোগত শিল্পীগৰাকীৰ স্মৃতিত গছপুলি ৰোপণ কৰা হয়।

শিল্পীগৰাকীক শ্ৰদ্ধা জনাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ে চলিত বৰ্ষৰ পৰাই জুবিন গাৰ্গ সোঁৱৰণী শ্ৰেষ্ঠ গায়ক বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিশ্ববিদ্যালয়খনৰ অন্তৰ্গত ৯ খন জিলাৰ ১৭১ খন মহাবিদ্যালয়ক সামৰি প্ৰতিবছৰে আয়োজিত কৰা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত সংগীতৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিত হোৱা প্ৰতিযোগীগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব। জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰাৰ লগতে যুৱ প্ৰজন্মক উৎসাহিত কৰিবলৈ এই বঁটা প্ৰদান কৰা হ'ব বুলি বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে প্ৰকাশ কৰে। এই বঁটাত নগদ ধন, চলন্ত ট্ৰফী আৰু বিশ্ববিদ্যালয়ৰ ছীল-মোহৰ সম্বলিত প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। শিল্পীগৰাকীৰ গীতৰ চৰ্চা অব্যাহত ৰখাৰ উদ্দেশ্যেৰে চলিত বৰ্ষৰ পৰা এই যুৱ মহোৎসৱত জুবিন সংগীতৰ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হ'ব বুলি বিশ্ববিদ্যালয়খনৰ কাৰ্যনিৰ্বাহক সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

প্ৰাণৰ শিল্পীগৰাকীৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ হোজাইৰ জিলা আমছুৱে জুবিন গাৰ্গৰ এটি প্ৰতিমূৰ্তি আৰু সংগ্ৰহালয় স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। হোজাই, ডবকা বা নীলবাগানত সংগ্ৰহালয় স্থাপন কৰিবলৈ সংগঠনটোৱে আগ্ৰহ প্ৰকাশ কৰিছে। আমছুৱে ইয়াৰ বাবে হোজাইৰ জিলা আয়ুক্ত বিকাশ ভাগৱতীলৈ ভূমি বিচাৰি আৱেদন জনাইছে। আমছুৱে ভূমি আবণ্টন হোৱাৰ লগে লগে প্ৰতিমূৰ্তি নিৰ্মাণৰ কাম নিজাববীয়াকৈ আৰম্ভ কৰিব বুলি সংগঠনটোৰ জিলা সভাপতি কবিৰ আহমেদ লস্কৰে বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে।

০০০০০

সেৱা সপ্তাহৰ অংশ হিচাপে যক্ষ্মা ৰোগ নিৰ্মূলকৰণ অভিযানৰ অংশ হিচাপে আজি ৰাজ্যৰ বিভিন্ন জিলাত নিক্ষয় শিবিৰৰ আয়োজন কৰা হয়। পশ্চিম কাৰ্বি আংলং জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি জিলাখনৰ বৈথালাংছ' খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, বৰপক আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু ডংকামকাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এই শিবিৰৰ আয়োজন কৰা হয়। এই শিবিৰত যক্ষ্মা ৰোগ নাইবা তেওঁলোকৰ আত্মীয়ৰ মাজত নিক্ষয় সামগ্ৰী বিতৰণ কৰা হয়। এই সামগ্ৰীসমূহৰ ভিতৰত চাউল, ছয়াবিন, মিঠাতেল, দাইল আৰু অন্যান্য পুষ্টিকৰ খাদ্য আছে। সেৱা সপ্তাহৰ অংশ হিচাপে  জিলাখনৰ প্ৰতিটো বিধানসভা সমষ্টিত স্বাস্থ্য মেলাৰো আয়োজন কৰা হৈছে।

০০০০০

সমাপ্ত